# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-07-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৰেশন মুকলি কৰিব।

২।	চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

৩।	বাংলাদেশৰ হিংসাত্মক প্ৰতিবাদৰ বাবে প্ৰায় এহেজাৰ ভাৰতীয় শিক্ষাৰ্থী স্বদেশলৈ উভতি আহিছে।

৪।	চি বি আইয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ  পৰীক্ষা NEET-UGৰ প্ৰশ্নকাকত ফাদিল গোচৰ সংক্ৰান্তত আৰু তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে।

*আৰু*

৫।	ভাৰত আজি মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন গুৰুত্বপূৰ্ণ খেলত ইউ এ ইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া ৭ বজাত নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৰেশন মুকলি কৰিব। অনুষ্ঠানত শ্ৰীমোদীয়ে ভাষণ প্ৰদান কৰিব। ভাৰতত প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৰেশনখন ৩১ জুলাইত সামৰণি পৰিব। এই বাৰ্ষিক অধিৰেশনত বিশ্ব ঐতিহ্যৰ সৈতে জড়িত সকলো বিষয়ৰ আলোচনাৰ  লগতে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হ'বলগীয়া স্থানসমূহৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। বৈঠকৰ সময়ছোৱাত বিশ্ব ঐতিহ্য তালিকাত নতুন স্থান মনোনীত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। ইয়াৰ উপৰি অধিৰেশনত বৰ্তমানৰ ১২৪টা বিশ্ব ঐতিহ্য ক্ষেত্ৰ সম্পদ সংৰক্ষণৰ স্থিতিৰ প্ৰতিবেদন, আন্তঃৰাষ্ট্ৰীয় সাহায্য আৰু বিশ্ব ঐতিহ্য পুঁজিৰ ব্যৱহাৰ আদিৰ বিষয়েও আলোচনা কৰা হ'ব। অধিৰেশনত ১৫০ খন দেশৰ দুহেজাৰতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় আৰু দেশীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতে নতুন দিল্লীত বিশ্ব ঐতিহ্য সমিতিৰ অধিৰেশন অনুষ্ঠিত কৰাৰ সুযোগ লাভ কৰি যথেষ্ট গৌৰৱবোধ কৰিছে। ছ'চিয়েল মিডিয়াৰ এটা প'ষ্টত শ্ৰীমোদীয়ে কয় যে, ভাৰতে এই সমিতিখনৰ অধিৰেশন প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে আৰু আজি সন্ধিয়াৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ তেওঁ আগ্ৰহেৰে বাট চাই আছে। দেশৰ ঐতিহ্য সংৰক্ষণৰ উপায় সন্দৰ্ভত মত-বিনিময় কৰাৰ বাবে ই এখন গুৰুত্বপূৰ্ণ মঞ্চ বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো ধৰণৰ সহযোগিতা কামনা কৰিব। বাজেট অধিবেশন কাইলৈ আৰম্ভ হ'ব আৰু বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে পৰহিলৈ সদনত ২০২৪-২৫ বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল। চৰকাৰে বাজেট অধিৱেশনত সংসদত ছখন নতুন বিধেয়ক দাখিল কৰাৰ সম্ভাৱনা আছে।

ooooo

বাংলাদেশৰ হিংসাত্মক প্ৰতিবাদৰ বাবে প্ৰায় এহেজাৰ ভাৰতীয় শিক্ষাৰ্থী স্বদেশলৈ উভতি আহিছে। বিদেশ মন্ত্ৰালয়ে কৈছে যে, ৭৭৮ গৰাকী ভাৰতীয় বিদ্যাৰ্থীয়ে স্থলপথেৰে ভাৰতলৈ ঘূৰি আহিছে। ইয়াৰ উপৰি প্ৰায় ২০০ গৰাকী শিক্ষাৰ্থী ঢাকা আৰু চট্টগ্ৰাম বন্দৰৰ পৰা নিয়মীয়া বিমান সেৱাৰে স্বদেশলৈ ওভতি আহিছে। মন্ত্ৰালয়ে কৈছে যে, ঢাকাত থকা ভাৰতীয় উচ্চায়োগ আৰু  চট্টগ্ৰাম, ৰাজশ্বাহী, চিলেট আৰু খুলনাত থকা সহকাৰী উচ্চায়োগসমূহে ভাৰতীয় নাগৰিকসকলক স্বদেশলৈ উভতি অহাত সহায় কৰি আছে। স্থানীয় কৰ্তৃপক্ষৰ সহযোগত উচ্চায়োগ আৰু সহকাৰী উচ্চায়োগসমূহে ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ বিভিন্ন প্ৰৱেশ পথেৰে নিৰাপদ যাত্ৰা সুগম কৰি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি বিদেশ মন্ত্ৰালয়ে জানিবলৈ দিছে।

ooooo

বিদেশী প'ৰ্টফলিঅ' বিনিয়োগৰাকীসকলে এই মাহত বৰ্তমানলৈকে ইকুইটি আৰু ঋণ বজাৰত প্ৰায় ৪৪ হাজাৰ ৩৪৪ কোটি টকা বিনিয়োগ কৰিছে। ইয়াৰ ভিতৰত ৩০ হাজাৰ ৭৭১ কোটি টকা ইকুইটি বজাৰত আৰু ১৩ হাজাৰ ৫৭৩ টকা ঋণ বজাৰত বিনিয়োগ কৰা হৈছে। যান-বাহন, মূলধনী সামগ্ৰী, স্বাস্থ্যসেৱা, তথ্য প্ৰযুক্তি, দূৰ সংযোগ তথা তেল আৰু গেছ খণ্ডত সৰ্বাধিক বিনিয়োগ হোৱা পৰিলক্ষিত হৈছে।

বজাৰৰ প্ৰতি ইতিবাচক ভাৱধাৰা আৰু সংস্কাৰৰ ধাৰা অব্যাহত ৰখাৰ প্ৰতি সুস্থিৰ চৰকাৰৰ আশ্বাসৰ বাবেই মূলধনী বজাৰত বিনিয়োগ বৃদ্ধি পোৱা বুলি কোৱা হৈছে।

ooooo

নেপালৰ কে পি শৰ্মা অ'লি চৰকাৰে আজি নিম্ন সদন প্ৰতিনিধি সভাত আস্থাৰ ভোট বিচাৰিব। নেপালৰ সংবিধান অনুসৰি নৱনিযুক্ত প্ৰধানমন্ত্ৰীয়ে নিযুক্তিৰ ৩০ দিনৰ ভিতৰত সংসদত আস্থা প্ৰমাণ কৰিব লাগে। ৭২ বছৰীয়া প্ৰবীণ কমিউনিষ্ট নেতা কে পি শৰ্মা অ'লিয়ে সোমবাৰে চতুৰ্থবাৰৰ বাবে দেশখনৰ প্ৰধানমন্ত্ৰী হিচাপে শপত লৈছিল। ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ প'দেলে দেশখনৰ সৰ্ববৃহৎ কমিউনিষ্ট পাৰ্টি চি পি এন- ইউ এম এলৰ অধ্যক্ষগৰাকীক নেপালী কংগ্ৰেছৰ সৈতে লগলাগি মিত্ৰজোঁট চৰকাৰ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰিছে। শ্ৰীঅ'লিয়ে পুষ্পকমল দাহাল চৰকাৰ পতনৰ পাছত নতুন গঠন কৰিছে। ২৭৫ জনীয়া প্ৰতিনিধি সভাত সংখ্যাগৰিষ্ঠতা প্ৰমাণৰ বাবে ১৩৮ গৰাকী সদস্যৰ সমৰ্থনৰ প্ৰয়োজন।  নিম্ন সদনত নেপালী কংগ্ৰেছ আৰু চি পি এন- ইউ এম এলৰ ১৬৬ গৰাকী সদস্য আছে।

ooooo

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা NEET-UGৰ প্ৰশ্নকাকত ফাদিল গোচৰ সংক্ৰান্তত আৰু তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ হোৱাসকলৰ ভিতৰত দুজন ৰাজস্থানৰ ভৰতপুৰ চিকিৎসা মহাবিদ্যালয়ৰ শিক্ষাৰ্থী আছে। সূত্ৰৰ পৰা জানিব পৰা মতে দুয়োজন অভিযুক্তক ৫ মে'ত অনুষ্ঠিত NEET-UG পৰীক্ষাৰ দিনা ঝাৰখণ্ডৰ হাজাৰিবাগত উপস্থিত আছিল। আনহাতে গ্ৰেপ্তাৰ কৰা তৃতীয়জন ব্যক্তি প্ৰশ্নকাকত ফাদিল কাণ্ডৰ মূল ষড়যন্ত্ৰকাৰীসকলক সকলো ধৰণৰ সহায় আগবঢ়াইছিল।

ooooo

পৱিত্ৰ অমৰনাথ গুহা দৰ্শনৰ বাবে ৩ হাজাৰ ১১৩ গৰাকী তীৰ্থযাত্ৰীৰ আৰু এটা দল জম্মু-কাশ্মীৰৰ ভগৱতী নগৰ যাত্ৰী নিৱাসৰ মূল শিবিৰৰ পৰা ৰাওনা হৈছে। তীৰ্থ যাত্ৰীৰ দলটো আজি নিচেই পুৱা সৰু-বৰ ১২৩ খন বাহনেৰে অমৰনাথ গুহা অভিমুখে যাত্ৰা কৰে। দলটোত দুহেজাৰ ৩১৫ গৰাকী পুৰুষ, ৬৯২ গৰাকী মহিলা, চাৰিটি শিশু আৰু ১০২ গৰাকী সাধু-সন্ন্যাসী আছে। তীৰ্থযাত্ৰীসকলৰ  ভিতৰত এহেজাৰ ১৫২ গৰাকীয়ে পুৱতি নিশা ২ বাজি ৫৬ মিনিটত বালতল মূল শিবিৰলৈ বুলি আৰু এহেজাৰ ৯৬০ গৰাকী তীৰ্থযাত্ৰীয়ে  পুৱতি নিশা ৩ বাজি ৪১ মিনিটত পহেলগাম মূল শিবিৰলৈ বুলি ৰাওনা হয়। তাৰপৰা তেওঁলোক পৱিত্ৰ অমৰনাথ গুহালৈ যাত্ৰা কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৮ জুলাইত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাতৰ পৰৱৰ্তী খণ্ডৰ বাবে জনসাধাৰণৰ পৰা ভালেসংখ্যক পৰামৰ্শ লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, তেওঁ মন কী বাত অনুষ্ঠানৰ আসন্ন খণ্ডৰ বাবে যথেষ্ট পৰামৰ্শ লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কৈছে যে, সমাজৰ সংস্কাৰৰ লক্ষ্যৰে ভালেসংখ্যক যুৱক-যুৱতীয়ে সমূহীয়া প্ৰচেষ্টাত আলোকপাত কৰা দেখা পাই তেওঁ সুখী হৈছে। শ্ৰীমোদীয়ে জনসাধাৰণক মাই গভ্, নমো এপযোগে দিহা পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনাইছে। তেওঁ লগতে ১৮০০১১৭৮০০ নম্বৰত ফোন কৰি বাৰ্তা বাণীবদ্ধ কৰিবলৈও জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ooooo

ভাৰত আজি শ্ৰীলংকাৰ ৰণগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন গুৰুত্বপূৰ্ণ খেলত সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ২ বজাত আৰম্ভ হ'ব। ভাৰত খেলখনত জয়ী হ'লে ছেমি ফাইনেলত প্ৰৱেশ কৰিব।

আয়োজক দেশ শ্ৰীলংকাই কালি ৰিশমী গুণৰত্নেৰ অৰ্ধ শতকৰ সহায়ত বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰে। শ্ৰীলংকাই ১১২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু এটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। বাংলাদেশৰ হৈ নাহিদা আখটাৰে তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেটৰ বিনিময়ত ১১১ ৰান কৰে। বাংলাদেশৰ  অধিনায়ক নিগাৰ ছুলতানাই ৫৯টা বলত ৪৮ ৰান কৰে। শ্ৰীলংকাৰ হৈ উদেশিকা প্ৰবোধনী আৰু ইন'ছি প্ৰিয়দৰ্শনীয়ে দুটাকৈ উইকেট লাভ কৰে। শ্ৰীলংকাৰ ৰিশমী গুণৰত্নেক প্লেয়াৰ অব্ দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

ooooo

পোলেণ্ডৰ ৰাৰ্হ্‌ত অনুষ্ঠিত ২০২৪ চনৰ গ্ৰীষ্মকালীন এথলেটিক্স প্ৰতিযোগিতাৰ মহিলাৰ ২০০ মিটাৰ দৌৰত কালি কিৰণ পাহালে সোণৰ পদক অৰ্জন কৰিছে। ২৩ বছৰীয়া দৌৰবিদগৰাকীয়ে ২৩ দশমিক ৩৩ ছেকেণ্ডত দৌৰ সমাপ্ত কৰি প্ৰথম স্থান দখল কৰি এইবাৰ ভাৰতীয় খেলুৱৈ হিচাপে সৰ্বোচ্চ প্ৰদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। একেটা প্ৰতিযোগিতাতে অলিম্পিকত মহিলাৰ ১০০ মিটাৰ হাৰ্ডলছত অংশগ্ৰহণ কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা হিচাপে পৰিগণিত হোৱা জ্যোতি ইয়াৰাজীয়ে ২৩ দশমিক ৫৩ ছেকেণ্ডত দ্বিতীয় স্থান দখল কৰে। ইফালে পুৰুষৰ ৪০০ মিটাৰ দৌৰত ৰাজেশ ৰমেশে প্ৰথম স্থান দখল কৰি সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে মহিলাৰ ৪০০ মিটাৰ দৌৰত জ্যোতিকা দণ্ডীয়ে সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়।

ooooo

**সমাপ্ত**